## ভাষা-জাতিৰ সংকটৰ সময়তে অসমীয়া মাধ্যমৰ শিক্ষানুষ্ঠানে দিছে আশাৰ বতৰা



# তেজপুৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে দীঘলীয়া শাৰী

### দুই শতাধিক বঞ্চিত অভিভাৱকৰ আকূতি
### মিনতিত বিমোৰত কৰ্তৃপক্ষ ঃ আন্তঃগাঁথনি, শিক্ষকৰ সংখ্যা বৃদ্ধিৰ দাবী

**প্ৰতিদিন বিশেষ সেৱা, তেজপুৰ, ২২ মাৰ্চ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰঘুমলাৰ দৰে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহে স্থানীয় মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহলৈ প্ৰত্যাহ্বান কঢ়িয়াই অনাৰ সময়তে তেজপুৰৰ এখন অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠানে আশাৰ বতৰা কঢ়িয়াই আনিবলৈ সমৰ্থ হৈছে। আগত দিনবোৰত ছাত্ৰ-ছাত্ৰীৰ অভাৱত চৰকাৰী মাতৃভাষা মাধ্যমৰ বিদ্যালয়সমূহৰ শ্মশান যাত্ৰা আৰম্ভ হ'ব বুলি বৌদ্ধিক মহলে সময়ে সময়ে

■ ১২ পৃষ্ঠাত

# তেজপুৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ত নামভৰ্তিৰ বাবে

■ *পঞ্চম পৃষ্ঠাৰ পৰা*

আশংকা প্ৰকাশ কৰি অহাৰ বিপৰীতে তেজপুৰ চহৰৰ মাজমজিয়াত অৱস্থিত 'ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়' নামৰ অসমীয়া মাধ্যমৰ চৰকাৰী শিক্ষানুষ্ঠানখনত সম্প্ৰতি বিপৰীত ছবি পৰিলক্ষিত হৈছে। নিজৰ সন্তানৰ নামভৰ্তিৰ উদ্দেশ্যে অভিভাৱকসকলে প্ৰ-পত্ৰৰ বাবে দীঘলীয়া শাৰী পতা দৃশ্যই স্বাভাৱিকতে মাতৃভাষা মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ সোণালী দিন পুনৰ ঘূৰি অহাৰ পথ প্ৰশস্ত হোৱাকে প্ৰতিপন্ন কৰা বুলি বিভিন্নজনে মত প্ৰকাশ কৰিছে। তেজপুৰৰ বাৰহলীয়া নিবাসী বিশিষ্ট সমাজকৰ্মী মাণিক চন্দ্ৰ বৰাৰ নিজা বাসগৃহত এই বিদ্যালয়খন আৰম্ভ কৰাৰ পাচত বিশিষ্ট শিক্ষাবিদ তথা ৰাষ্ট্ৰপতিৰ বঁটাৰে সম্মানিত গান্ধীবাদী কৃতী শিক্ষক বেণুধৰ শইকীয়াৰ উদ্যোগত ১৯৩৫ চনৰ ২২ আগষ্টত তদানীন্তন তেজপুৰ পৌৰসভাৰ সভাপতি আনন্দচন্দ্ৰ আগৰৱালাৰ সহযোগত পৌৰসভাৰ ভূমিত প্ৰতিষ্ঠা লাভ কৰিছিল অসমীয়া মাধ্যমৰ এই বিদ্যালয়খনে। এই দীঘলীয়া শৈক্ষিক পৰিক্ৰমাত বিদ্যালয়খনৰ পৰা শিক্ষা গ্ৰহণ কৰা বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে দেশ-বিদেশৰ বিভিন্ন স্থানত প্ৰতিষ্ঠা লাভ কৰি বিভিন্ন ক্ষেত্ৰত অৰিহণা আগবঢ়াবলৈ সমৰ্থ হৈছে। ৮৭ বছৰ অতিক্ৰম কৰা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনে আজিও পূৰ্বৰ গৰিমা অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈ অহা সময়ত তেজপুৰীয়া অভিভাৱকসকলৰ মাজত নিজ সন্তানক পঢ়ুৱাবলৈ প্ৰবল আগ্ৰহী পৰিলক্ষিত হোৱাত সম্প্ৰতি বিপাণ্ডত পৰিছে বিদ্যালয় কৰ্তৃপক্ষ। উল্লেখ্য যে ২৯ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে ৮৩৫ গৰাকী শিক্ষাৰ্থীক বৰ্তমানে পাঠদান কৰি অহা তথা তেজপুৰৰ বিদ্যায়তনিক ক্ষেত্ৰত বিশেষ কৃতিত্বৰ পৰিচয় দি অহা এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনত অহা ১ এপ্ৰিলত নতুন শিক্ষাবৰ্ষৰ পাঠদান প্ৰক্ৰিয়া আৰম্ভ হ'ব। ইয়াকে লৈ যোৱা ১৭ মাৰ্চত বিদ্যালয়খনৰ ১৫০ খন আসনৰ বিপৰীতে প্ৰ-পত্ৰ বিতৰণৰ সময়ত সন্তানৰ নামভৰ্তিৰ বাবে ইচ্ছুক চহৰখনৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন ভাষা-ভাষী আৰু ধৰ্মাৱলম্বী লোকে দীঘলীয়া শাৰী পাতি আশাৰ বতৰা কঢ়িয়াই আনে। নিৰ্দিষ্টসংখ্যক আসনৰ বিপৰীতে ১৮০ খন প্ৰ-পত্ৰ বিতৰণ কৰা হয় যদিও দুই শতাধিক অভিভাৱক বিমুখ হৈ ঘূৰি যাবলগীয়া হয়। বৰ্তমানেও বহুসংখ্যক অভিভাৱকে সন্তানক এই গৰিমামণ্ডিত শিক্ষানুষ্ঠানখনত পঢ়ুওৱাৰ উদ্দেশ্যে কাকূতি-মিনতি অব্যাহত ৰখা হেতু বিপাণ্ডত পৰিছে বিদ্যালয় কৰ্তৃপক্ষ। এনে প্ৰেক্ষাপটত অসমীয়া ভাষাৰ শিক্ষাৰ ধ্বজা উৰুৱাবলৈ সমৰ্থ হোৱা তেজপুৰ ছিলভাৰ জুবিলী প্ৰাথমিক বিদ্যালয়ৰ প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু শিক্ষকৰ সংখ্যা বৃদ্ধি কৰিব পাৰিলে অধিকসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়খনত অধ্যয়নত সুবিধা লাভ কৰিব বুলি স্থানীয় বৌদ্ধিক মহলে মত প্ৰকাশ কৰাৰ লগতে এইক্ষেত্ৰত চৰকাৰক ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

Office of the Minister